ইণ্টাৰনেটত 'দৈনিক অসম' http://dainik.assamtribune.com

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

৩ | আন্দোলননেহে গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষিত কৰিব
দক্ষিণৰ চলচ্চিত্ৰ উদ্যোগ পছন্দ কাজলৰ | ১০
লখিমপুৰত বানৰ সময়ৰ জৰুৰীকালীন অনুশীলন | ৭
১২ | মুম্বাই ইণ্ডিয়ানছত বুমৰাহৰ স্থানত সন্দীপ

৫৮ বছৰীয়া ঐতিহ্য ১৯৬৫-২০২২

। ২৩৩ সংখ্যা, ১৭ চ'ত, শনিবাৰ, ১৯৪৫ শক । DAINIK ASAM : Assamese Daily । VOL. 58 NO. 233 । DIBRUGARH, SATURDAY, APRIL 1, 2023 । পৃষ্ঠা ১২ (Pages 1

## ট জিলা দিৱস পালন

সম্পাদক প্ৰিয়াংদীপ কাকতি আৰু পৌৰনেত্ৰী ৰূপাঞ্জলি বৰাই নিমন্ত্ৰিত অতিথিৰূপে ভাগ লোৱা সভাত প্ৰবীণ সাংবাদিক অপূৰ্ব কুমাৰ বৰুৱাই সন্মানীয় অতিথিৰ ভাষণ দিয়ে। আদৰণী সমিতিৰ সম্পাদক প্ৰণৱ চক্ৰৱৰ্তীয়ে আঁত ধৰা সভাত দেৰগাঁৱৰ প্ৰবীণ সাংবাদিক মহেন্দ্ৰ নাথ হাজৰিকাক জিলা সাংবাদিক সংস্থাৰ শ্ৰেষ্ঠ মফচলীয়া সাংবাদিক বঁটা, ২০২৩ প্ৰদান কৰা হয়। গামোচা, চেলেং, জাপি, স্মাৰক আৰু সম্বৰ্দ্ধনা-পত্ৰৰে সম্বৰ্দ্ধনা গ্ৰহণ কৰি প্ৰবীণ সাংবাদিকজনে ভাষণত নিজৰ অনুভৱ ব্যক্ত কৰে। এই সভাতে সম্পাদকদ্বয় ইন্দুভূষণ মহন্ত আৰু দীপ বৰঠাকুৰে আঁত ধৰা এক বিশেষ অনুষ্ঠানত বৃহত্তৰ দেৰগাঁৱৰ শিক্ষা, সাহিত্য, সংস্কৃতি, কৃষি, সাংবাদিকতা আদি বিভিন্ন ক্ষেত্ৰলৈ বিশেষ অৱদান আগবঢ়োৱা ৫৯গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্দ্ধনা জনোৱা হয়। গামোচা, চেলেং, প্ৰশস্তি-পত্ৰ আদিৰে বিশিষ্ট ব্যক্তিসকলক সম্বৰ্দ্ধনা জনোৱা কাৰ্যসূচীৰ পাছতে ছাত্ৰনেতা চিৰঞ্জীৱ বৰাই আঁত ধৰা অন্য এক অনুষ্ঠানত কৰ্মশালাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে উদ্‌যাপন সমিতিৰ সহকাৰী সম্পাদক কুমুদ বৰাই।

## ৰঙাচাহী মহাবিদ্যালয়ত সজাগতা সভা

নিজা বাতৰি দিওঁতা

মাজুলী, ৩১ মাৰ্চ ঃ মাজুলী জিলা ধঁপাত নিবাৰণ কোষৰ উদ্যোগত ৰঙাচাহী মহাবিদ্যালয়ৰ সহযোগত মহাবিদ্যালয়ৰ প্ৰাঙ্গনত ধঁপাত নিবাৰণ বিষয়ক এখন সজাগতা সভা কালি অধ্যক্ষ ড° নৱ কুমাৰ গামৰ সভাপতিত্ব অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ শিক্ষা সময়ক তৰুণ কুমাৰ নাথে আঁত ধৰা সভাৰ আদৰণী ভাষণ আগবঢ়াই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গামে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কেইবাটাও গুৰুত্বপূৰ্ণ কথা ব্যক্ত কৰাৰ লগতে মহাবিদ্যালয়ৰ পৰিয়ালক ধন্যবাদ জনাই মহাবিদ্যালয় চৌহদত ধঁপাত নিবাৰণত মহাবিদ্যালয় পৰিয়ালৰ সহযোগিতা প্ৰশংসনীয় বুলি কয়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা জিলা স্বাস্থ্য মিছনৰ নডেল বিষয়া হিচাপে উপস্থিত থাকে ডাঃ মাণিক মিলি। তেওঁৰ দ্বাৰা ৰচিত নাখাওঁ নাখাওঁ চিগাৰেট নাখাওঁ, নাখাওঁ নাখাওঁ ধঁপাতো নাখাওঁ' ধঁপাত নিবাৰণৰ এই গীতটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা আনিবলৈ কৰা প্ৰয়াসত বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ ভাষণ প্ৰসংগত মহাবিদ্যালয়ৰ চৌহদটো ধঁপাত মুক্ত এলেকা বুলি মন্তব্য কৰে। সভাখনত মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ

## কানৈ মহাবিদ্যালয়ত সৃষ্টি হৈছে গৱেষণাৰ পৰিৱেশ ঃ ড° শইকীয়া

নিজা বাতৰি দিওঁতা

টিংখাং, ৩১ মাৰ্চঃ ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ গৱেষণা বিষয়ক 'ফ্ৰণ্টিয়াৰ্ছ ইন ফিজিকেল ছায়েন্সেছ-২০২৩ নামৰ গ্ৰন্থখন ২৭ মাৰ্চত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই উন্মোচন কৰে। গ্ৰন্থখনি উন্মোচন কৰি অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কানৈ মহাবিদ্যালয়ত গৱেষণাৰ এক সুন্দৰ পৰিৱশ গঢ় লৈ উঠিছে বুলি উল্লেখ কৰি কয়—কানৈ মহাবিদ্যালয়ত প্ৰায় ৫ কোটি টকা ব্যয়সাপেক্ষে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো উচ্চ মানৰ কেন্দ্ৰীয় ইনষ্ট্ৰুমেণ্টেশ্বন গৱেষণাগাৰ সংস্থাপন কৰি ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ গৱেষণাৰ ক্ষেত্ৰত এক সুন্দৰ পৰিৱেশ গঢ়ি তোলাৰ লগতে ৫৫ লাখ টকা ব্যয়সাপেক্ষে অত্যাধুনিক বায়'টেক হাব সংস্থাপনৰ কাম ইতিমধ্যে চলি আছে। অধ্যক্ষগৰাকীয়ে লগতে কয়— মহাবিদ্যালয়ৰ বিভিন্ন বিভাগত প্ৰতিবছৰে ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকল উপকৃত হ'ব পৰাকৈ গৱেষণাৰ স'তে জড়িত বহুকেইখন গৱেষণা-পত্ৰ প্ৰকাশ পাই আহিছে। অধ্যক্ষগৰাকীয়ে গৱেষণাৰ দিশটোক সামৰি পদাৰ্থ বিজ্ঞান বিভাগে এনে এখন সুন্দৰ গ্ৰহণ প্ৰস্তুত কৰাৰ বাবে বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰঞ্জন চাংমাই, অধ্যাপক অংশুমান বৰঠাকুৰ, অধ্যাপক ড° পৰাগজ্যোতি চুতীয়া আৰু অধ্যাপক মৃণ্ময় গোহাঁইক ভূয়সী প্ৰশংসা কৰাৰ লগতে গ্ৰন্থখনি প্ৰকাশৰ সৈতে জড়িত মণিপুৰ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপিকা গোমতী দেৱী আৰু ডিবুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ধ্ৰুৱজ্যোতি গগৈক ধন্যবাদ জ্ঞাপন কৰে। গ্ৰন্থখনিৰ সাৰমৰ্মৰ বিষয়ে অৱগত কৰে পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰঞ্জন চাংমাই। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালী, ভূগোল বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মিতালী চলিহাকে ধৰি পদাৰ্থ বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## দ্যালয়ৰ চৌহদ

উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি মালৌআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ

## ্যমন্ত্ৰী ৰম্ভ

ক সৌঁৰৰণ

জয়ন্তী উপলক্ষে আজি ী ড° হিমন্ত বিশ্ব শৰ্মাই ফাৰ পৱিত্ৰ সৌঁৰৰণত অংশ লৈ মুখ্যমন্ত্ৰী ড° ত্ৰ-ছাত্ৰীসকলক আহ্বান য়নৰত স্নাতক শ্ৰেণীৰ প্ৰদানৰ উদ্দেশ্যে গ্ৰহণ ধন কৰে। তদুপৰি প্ৰতিগৰাকীয়ে ৭,১৫৭

৬ পৃষ্ঠাত চাওক

ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব

## টীয়াকৈ অনু হায়ক গোটৰ

চৰকাৰে এই বছৰৰপৰা

## ধুবুৰী অৰ্ব ৰাষ্ট্ৰপ



জিলাৰ বাতৰি

ধুবুৰী, ৩১ ম দিলীপ কুমাৰ ধুবুৰীৰ আৰম্ভ অনুষ্ঠানত অ বঁটাৰে সন্মানি

প্ৰকল্প প্ৰস্তুত কৰ